# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 29-03-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

ম্যানমাৰত কালিৰ প্ৰলয়ংকাৰী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ১৪৪ লৈ বৃদ্ধি পাইছে। ইপিনে, বেংককত এটা নিৰ্মীয়মান সুউচ্চ অট্টালিকাৰ ধবংসস্তূপৰ মাজৰ পৰা কমেও দহজন লোকক উদ্ধাৰ কৰা হৈছে। ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতাত্বিক জৰীপ বিভাগে আংশকা প্ৰকাশ কৰিছে।

ভাৰতে ইতিমধ্যে ম্যানমাৰলৈ প্ৰায় ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। হিন্দন বায়ুসেনা কেন্দ্ৰৰ পৰা এই সামগ্ৰীখিনি বায়ুসেনাৰ বিমানেৰে ম্যানমাৰলৈ প্ৰেৰণ কৰা হৈছে। সাহায্য সামগ্ৰীসমূহৰ ভিতৰত শ্লিপিং বেগ, টেণ্ট, কম্বল, পেকেটৰ খাদ্য-সামগ্ৰী, জেনেৰেটৰ আদি আছে। তদুপৰি ভূমিকম্পত ক্ষতিগ্ৰস্তসকলৰ সহায়ৰ বাবে ঔষধ, হাতমোজা, বেণ্ডেজ আদিও প্ৰদান কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ম্যানমাৰ আৰু থাইলেণ্ডৰ ভূমিকম্পক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দুয়োখন দেশৰ জনসাধাৰণৰ সুস্বাস্থ্য আৰু কুশল কামনা কৰে। শ্ৰীমোদীয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ক ম্যানমাৰ আৰু থাইলেণ্ড চৰকাৰৰ সৈতে সঘন যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ম্যানমাৰ আৰু থাইলেণ্ডত কালি ওপৰা-ওপৰিকৈ অহা দুটা ভূমিকম্পত দেশ দুখনৰ জন-ধন আৰু আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হয়। ৰিখটাৰ স্কেলত ৭ দশমিক ৭ আৰু ৬ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্য, উত্তৰ বংগৰ উপৰি চীনৰ দক্ষিণ-পশ্চিম অংশতো অনুভূত হয়।

ম্যানমাৰৰ ৰাজধানী মহানগৰ নেইপি-টাও আৰু বাণিজ্যিক মহানগৰী মাণ্ডালেইকে ধৰি ম্যানমাৰৰ ছটা খণ্ডত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। ম্যানমাৰৰ সামৰিক জুণ্টাই এই ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ পৰা সহায়ৰ আহ্বান জনাইছে। বিশ্ব সম্প্ৰদায়ৰ পৰা নিলগে থকা শাসনাধিস্থিত দেশখনৰ সামৰিক জুণ্টাৰ এই আহ্বানে পৰিস্থিতিৰ ভয়াৱহতা সূচাইছে বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে।

০০০০০০০

তিনিচুকীয়া আৰক্ষীয়ে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। কালি তিনিচুকীয়া জিলাৰ অতিৰিক্ত অধীক্ষক আৰু সদৰথানাৰ আৰক্ষী বিষয়াৰ নেতৃত্বত চলা অভিযানত চাৰি চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ কৰা চাৰি অপৰাধীৰ এজন তিনিচুকীয়াৰ লগতে আন তিনিজন ছত্তিশগড়ৰ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰ হোৱা চাৰি চাইবাৰ অপৰাধীয়ে বিভিন্ন লোকৰ একাউণ্টৰ পৰা ধন সৰকোৱাৰ লগতে অনলাইন জুৱাৰ সৈতে আন্তঃৰাজ্যিক সম্পৰ্ক স্থাপন কৰিছিল বুলিও আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ হোৱা চাইবাৰ অপৰাধীকেইটাৰ পৰা ৬৮ খন এ টি এম কাৰ্ডৰ লগতে বহুসংখ্যক ডিজিটেল ডিভাইছ জব্দ কৰিবলৈ সক্ষম হয়।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ অন্যতম প্ৰধান নগৰ-ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰিছে। এই সম্পৰ্কত ডিব্ৰুগড়ৰ নাগৰিকসকলৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈৰ সহযোগত অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত কালিৰে পৰা লোক সংস্কৃতি সমাৰোহ ২০২৫ অনুষ্ঠিত হৈছে। সদৌ অসম মইনা পাৰিজাতৰ মহাৰজত জয়ন্তী উপলক্ষে মাজুলী জিলা মইনা পাৰিজাতৰ সৌজন্যত ৩ দিনীয়াকৈ এই সমাৰোহৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী তথা সদৌ অসম মইনা পাৰিজাতৰ সভাপতি কেশৱ মহন্তই এই সমাৰোহৰ উদ্বোধন কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, বিধায়ক ভূৱন গামৰ লগতে সদৌ অসম মইনা পাৰিজাতৰ বিষয়ববীয়া তথা মইনাসকল উপস্থিত থাকে।

০০০০০০০

গোলাঘাট জিলাৰ সাংবাদিক সংস্থাৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। জিলা সাংবাদিক সংস্থাৰ সভাপতি ৰোহিত গগৈয়ে সংস্থাৰ পতাকা উত্তোলন কৰাৰ উপৰি জিলাখনৰ ৬০ গৰাকী বিশিষ্ট ব্যক্তিয়ে ৬০ খন পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে। সতী সাধনী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ জ্যোতিপ্ৰসাদ শইকীয়া অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত গোলাঘাট জিলাৰ ১৫ গৰাকী জ্যেষ্ঠ সাংবাদিকক বিশেষ সম্বৰ্ধনা জনোৱাৰ লগতে সাংবাদিকতাৰ বিভিন্ন বিষয়ত কেইবাগৰাকী সাংবাদিকক বঁটা প্ৰদান কৰা হয়।

০০০০০০০

গুৱাহাটীৰ এটা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে দুয়োটা গোচৰতে জামিন মঞ্জুৰ কৰে। পাণবজাৰ থানাত ৰুজু হোৱা ১১১/২৫ নম্বৰ গোচৰৰ শুনানি লৈ সাংবাদিকজনক ২০ হাজাৰ টকাৰ বিনিময়ত আদালতে জামিন মঞ্জুৰ কৰে। অৱশ্যে শুনানি প্ৰক্ৰিয়া পলম হোৱাৰ বাবে কালি নিশা দিলোৱাৰ হুছেইন মজুমদাৰে ন্যায়িক জিম্মাতে থাকিবলগীয়া হয়। আজি সাংবাদিকজন মুকলি হোৱাৰ সম্ভাৱনা আছে।

চৰকাৰী বিষয়াৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত এপেক্স বেংকৰ কাৰ্যালয়ৰ পৰা যোৱা ২৫ মাৰ্চত গ্ৰেপ্তাৰ কৰা সাংবাদিকগৰাকীক ২৭ মাৰ্চত পুনৰ আৰক্ষীয়ে আন এটা গোচৰত গ্ৰেপ্তাৰ কৰিছিল। আদালতত অভিযুক্ত সাংবাদিকজনৰ হৈ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰ আৰু ৰাহুল শেনচোৱাই যুক্তি প্ৰদৰ্শন কৰে। সাংবাদিকজনক গ্ৰেপ্তাৰৰ পাছতে গুৱাহাটী প্ৰেছ ক্লাব, প্ৰেছ কাউন্সিল অব ইণ্ডিয়াই এই ঘটনাক গৰিহণা জনাইছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰ আৰু দিল্লীত থকা অসমৰ সাংবাদিকসকলেও ক'লা বেজ পৰিধান কৰি এই ঘটনাক নিন্দা কৰে।

০০০০০০০

**সমাপ্ত**